# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - - -**

১।	পৰৱৰ্তী দুটা পৰ্যায়ত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তীব্ৰতৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি বিহাৰত, বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহৰ ওড়িশাত, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পশ্চিমবংগত, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ হাৰিয়ানাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ।

২।	আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে ৰাজ্যবাসীলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছা জ্ঞাপন। ৰাজ্যৰ চাহ শ্ৰমিকৰ কঠোৰ পৰিশ্ৰমক মান্যতা দিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩।	নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ট্ৰেকিং অহা ২৮ মে'ৰ পৰা বন্ধ থাকিব বুলি উদ্যান কৰ্তৃপক্ষৰ নিৰ্দেশনা জাৰি।

*আৰু*

৪।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ, কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

লোকসভা নিৰ্বাচনৰ ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে বিভিন্ন ৰাজনৈতিক দলে সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনৰ বাবে পৰহিলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। ২৫ মে' আৰু ১ জুনত হ'বলগীয়া এই দুটা পৰ্যায়ত ৫৭টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইতিমধ্যে ৫টা পৰ্যায়ত ৪২৮টা সমষ্টিৰ বাবে ভোটগ্ৰহণ সম্পন্ন হৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মতিহাৰীৰ গান্ধী ময়দানত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাষণত কংগ্ৰেছক এটা পৰিয়ালকেন্দ্ৰিক দল বুলি অভিহিত কৰাৰ লগতে দলটোৱে মাত্ৰ এটা পৰিয়ালৰ স্বাৰ্থ সিদ্ধিৰ হকে কাম কৰি আহিছে বুলি অভিযোগ তোলে। লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি তেওঁ দাবী কৰে। শ্ৰীমোদীয়ে কয় যে, জনসাধাৰণে নিৰ্বাচনত দুৰ্নীতিৰ গোচৰ আৰু ভাৰত বিৰোধী অভিযানত লিপ্ত হোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিব। তেওঁ লগতে দুখীয়া জনসাধাৰণক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁট একবিংশ শতিকাৰ আশা-আকাংক্ষাৰ সৈতে খোজ মিলাব নোৱাৰে আৰু একমাত্ৰ এন ডি এহে এই সপোনসমূহ বাস্তৱায়িক কৰিবলৈ সক্ষম। তেওঁ লগতে কেন্দ্ৰত এখন নিৰ্ণায়ক চৰকাৰেহে পৰৱৰ্তী ৫ বছৰত অধিক ক্ষিপ্ৰতাৰে উন্নয়নমূলক কাম সম্পন্ন কৰিব বুলি আশ্বাস

দিয়ে। শ্ৰীমোদীয়ে আজি বিহাৰৰ মহাৰাজগঞ্জ সংসদীয় সমষ্টিৰ অধীনৰ গৰিয়াকোঠিত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাগ লয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়ানা আৰু ৰাজধানী দিল্লীত প্ৰচাৰ চলায়। আজি পুৱা তেওঁ হাৰিয়ানাৰ ৰোহটকৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। তেওঁ জিন্দত এটা ৰোড শ্ব'ত অংশ লোৱাৰ পাছত দিল্লীলৈ ৰাওনা হয়। আজি সন্ধিয়া তেওঁ দিল্লীত কেইবাখানো ৰাজহুৱা সভাক সম্বোধন কৰিব। একেদৰে দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ওড়িশাৰ ছম্বলপুৰ, কেন্দুঝাৰ আৰু ধেংকানালত ৰাহুহুৱা সভাত ভাষণ দিয়ে। তেওঁ বিয়লি নায়াগড়ত এখন ৰাজহুৱা সভাক সম্বোধন কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে আজি হাৰিয়ানাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। তেওঁ চণ্ডিগড়ত এখন সংবাদমেলক সম্বোধন কৰে। জনসভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই এন ডি এ চৰকাৰে বিগত ১০ বছৰত কৃষক আৰু সেনা জোৱানসকলক সুবিধাৰ পৰা বঞ্চিত কৰিছে বুলি উল্লেখ কৰে। চৰকাৰে গ্ৰহণ কৰা অগ্নিবীৰ যোজনাই সেনা বাহিনীত ভৰ্তি হ'বলৈ প্ৰস্তুতি চলাই থকা হাৰিয়ানাৰ যুৱকসকলৰ যাত্ৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মথুৰাপুৰ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়।

দিল্লীতো সাতোখন সংসদীয় আসনৰ বাবে প্ৰচাৰ তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছে শনিবাৰে ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিকেইটাৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা চলাইছে।

আম আদমী পাৰ্টী আৰু কংগ্ৰেছে মূল্যবৃদ্ধি, কৰ্ম সংস্থাপনহীনতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিয়েও সুৰা নীতি কেলেংকাৰী আৰু অনিয়মৰ অন্যান্য ঘটনাক লৈ আম আদমী পাৰ্টীক তীব্ৰ সমালোচনা কৰিছে। আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উত্তৰ-পূব দিল্লীত এটা ৰোড শ্ব'ত অংশ ল'ব। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য নেতাসকলে মহানগৰখনৰ বিভিন্ন অংশত প্ৰচাৰ চলাইছে।

ooooo

ৰাজ্যত লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া শেষ হোৱাৰ পাছতেই শাসকীয় বিজেপি দলৰ সহযোগী দল অসম গণ পৰিষদে হ'বলগীয়া পঞ্চায়ত নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। দলটোৰ নেতৃবৃন্দই তৃণমূল পৰ্যায়ৰ কৰ্মীসকলক উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া বিধানসভা সমষ্টি কেইটাত তৎপৰতাৰে প্ৰস্তুতি আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। অসম গণ পৰিষদ দলে হৈ যোৱা লোকসভা নিৰ্বাচনত অন্ততঃ এখন আসন লাভ কৰিব বুলি আশা ব্যক্ত কৰে। উল্লেখযোগ্য যে, অগপই এইবাৰ বৰপেটা আৰু ধুবুৰীত নিজৰ প্ৰাৰ্থীক লোকসভা নিৰ্বাচনত অৱতীৰ্ণ কৰাবলৈ সুযোগ পাইছিল। আজি গুৱাহাটীত দলটোৰ জ্যেষ্ঠ নেতাসকলৰ সৈতে জিলা পৰ্যায়ৰ কৰ্মীৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত পঞ্চায়ত নিৰ্বাচন আৰু উপ-নিৰ্বাচনসমূহত দলে পালন কৰিবলগীয়া ভূমিকা সন্দৰ্ভত আলোচনা কৰা হয়। উল্লেখযোগ্য যে, যোৱা বছৰৰ ডিচেম্বৰ মাহতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও লোকসভা নিৰ্বাচনৰ বাবে এই নিৰ্বাচন পিছুৱাই দিয়া হৈছিল।

ooooo

আজি আন্তৰ্জাতিক চাহ দিৱস উদযাপন কৰা হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহে দৈনন্দিন জীৱন পুৱাৰ একাপ চাহেৰে আৰম্ভ কৰে। চাহে দেহ মনৰ অৱসাদ দূৰ কৰা বুলি কোৱা হয় বাবেই অসমৰ লগতে বিশ্বৰ বিভিন্ন ঠাইৰ মানুহৰ বাবে চাহ আটাইতকৈ প্ৰিয় পানীয় হিচাপে পৰিগণিত হৈ আহিছে। সম্প্ৰতি বজাৰত

সাধাৰণ চাহৰ লগতে সেউজ চাহেও জনপ্ৰিয়তা অৰ্জন কৰিছে। স্বাস্থ্য ৰক্ষাৰ দিশত এই চাহৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰি স্বাস্থ্য সচেতন লোকসকলে এই চাহ ব্যৱহাৰ কৰা দেখা গৈছে। ২০০ বছৰীয়া অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক ভেঁটি টনকীয়াল কৰাৰ সমান্তৰালভাৱে কৰ্ম সংস্কৃতি বিকাশতো ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আজি এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। চৰাইদেও জিলাৰ এহাল স্বামী-স্ত্ৰীয়ে প্ৰস্তুত কৰা সেউজ চাহপাতে শেহতীয়াকৈ বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। জিলাখনৰ নিমনাগড় ইকৰাণী গাঁৱৰ মমি লাহন আৰু কুশ লাহন নামৰ দম্পতীয়ে নিজৰ বাসগৃহৰ চৌহদত জৈৱিক পদ্ধতিৰে সেউজ চাহপাত প্ৰস্তুত কৰি স্বাৱলম্বী হোৱাৰ লগতে কেইবাটাও পৰিয়ালৰ উপাৰ্জনৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে। এই দম্পতীয়ে দৈনিক ১০ কিলোগ্ৰামকৈ শুকান সেউজ চাহপাত প্ৰস্তুত কৰি ২ হাজাৰ টকাৰ পৰা ২০ হাজাৰ টকা পৰ্যন্ত দৰত বিক্ৰী কৰি আহিছে। ২০১৫ চনৰ পৰা ঘৰুৱা পদ্ধতিৰে সেউজ চাহপাতৰ খেতি কৰা দম্পতীয়ে জৈৱিক সাৰ প্ৰয়োগ কৰি ২০ বিঘা মাটিত এই খেতি কৰি মাহেকত লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁলোকে স্বাৱলম্বী হোৱাৰ লগতে ক্ষুদ্ৰ চাহ খেতিয়কলৈ আশা কঢ়িয়াই আনিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে দিয়া বাৰ্তাত কয় যে, অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ চাহে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ সতেজতা কঢ়িয়াবলৈ সমৰ্থ হৈছে। নিজৰ এক্স হেণ্ডেলত দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে, বিশ্বৰ যিকোনো প্ৰান্ততে গ্ৰহণ কৰা পুৱাৰ চাহ কাপত অসমৰ চাহ গছৰ সুগন্ধি থাকে। তেওঁ লগতে আজি এই দিৱস উপলক্ষে চাহ বাগিচাৰ শ্ৰমিকসকলৰ শ্ৰমক মূল্য দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

সমগ্ৰ দেশত আজি সন্ত্ৰাসবাদ বিৰোধী দিৱস পালন কৰা হৈছে। ১৯৯১ চনৰ ২১ মে'ত এল টি টি ইৰ আত্মঘাতী বোমাৰুৰ আক্ৰমণত চেন্নাইৰ সমীপৰ এখন গাঁৱত প্ৰাণ হেৰুওৱা প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। সমাজ আৰু ৰাষ্ট্ৰৰ ওপৰত সন্ত্ৰাসবাদ আৰু হিংসাৰ নেতিবাচক প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে।

কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, কংগ্ৰেছৰ সংসদীয় দলৰ নেত্ৰী ছোনিয়া গান্ধী আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়েও ৰাজীৱ গান্ধীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ বীৰভূমিত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধিত পুষ্পাৰ্ঘ্য তৰ্পণ কৰে। দলৰ সভাপতি খাৰ্গেই এক্স হেণ্ডেলত দিয়া এটা বাৰ্তাত কয় যে, একবিংশ শতিকাৰ আধুনিক ভাৰতৰ দূৰদৰ্শী, ভাৰতীয় তথ্য বিপ্লৱৰ জনক, পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৰলীকৰণৰ স্থপতি, শান্তি আৰু সমৃদ্ধিৰ পথ প্ৰদৰ্শক এই নেতাগৰাকীৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব।

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি আয়োজনৰ ব্যৱস্থা কৰা হয়। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ স্মৃতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাকে ধৰি দলৰ নেতা-কৰ্মীসকলে শ্ৰদ্ধা নিবেদন কৰে। সংবাদ মাধ্যমৰ আগত শ্ৰীবৰাই প্ৰয়াত গান্ধীৰ উদ্যোগত অসম আন্দোলনৰ পৰিসমাপ্তি ঘটাই অসম চুক্তি স্বাক্ষৰ কৰা হৈছিল বুলি মন্তব্য কৰে। যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ লগতে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়ত আজি প্ৰয়াত গান্ধীৰ মৃত্যুৰ দিনটো সন্ত্ৰাসবাদ বিৰোধী দিৱস হিচাপে পালন কৰা হয়। এই উপলক্ষে

আজি জিলা প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীয়ে সন্ত্ৰাসবাদ তথা সকলো ধৰণৰ হিংসাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সংকল্প গ্ৰহণ কৰে। তেওঁলোকে হিংসা আৰু সন্ত্ৰাস প্ৰতিৰোধৰ লগতে মানৱীয় প্ৰমূল্যৰ আধাৰত শান্তিপূৰ্ণ সমাজ গঠনত সেৱা আগবঢ়াই যোৱাৰ অংগীকাৰ লয়।

০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWONAIR এপ, আমাৰ ইউটিউব চেনেল AIRNEWSGUWAHATI আৰু এক্স হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০

নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ট্ৰেকিং অহা ২৮ মে'ৰ পৰা বন্ধ থাকিব। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় আৰু ৰাষ্ট্ৰীয় ব্যাঘ্ৰ সংৰক্ষিত প্ৰাধিকৰণে এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে। পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত এই নিৰ্দেশ কাৰ্যকৰী হৈ থাকিব বুলি পশ্চিম অসম বন্যাপ্ৰানী সংমণ্ডলৰ বন বিষয়াই জানিবলৈ দিছে।

০০০০০

ৰাজ্য চৰকাৰৰ তত্বৱধানত জনস্বাস্থ্য কাৰিকৰী বিভাগ শোণিতপুৰৰ উদ্যোগত তেজপুৰত তিনি দিনীয়াকৈ অনুষ্ঠিত হোৱা সহকাৰী কাৰ্যবাহী অভিযন্তাসকলৰ অধিৱেশনৰ আজি সামৰণি পৰে। তেজপুৰৰ কনভেন্সন চেণ্টাৰত অনুষ্ঠিত হোৱা এই অধিৱেশনখনত জলজীৱন মিছনৰ সম্পদসমূহৰ যত্ন আৰু সেৱা প্ৰদানৰ ক্ষেত্ৰত প্ৰযুক্তিগত উদ্ভাৱন বিষয়ত আলোচনা কৰা হ'ব। যোৱা ১৯ মে'ত আৰম্ভ হোৱা অধিৱেশনখনত জলজীৱন মিছন অসমৰ মিছন সঞ্চালক কৈলাশ কাৰ্তীক এন, শোণিতপুৰ জিলাৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰৰ লগতে মিছনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। এই অধিৱেশনত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰাজ্যৰ চাৰিটা সংমণ্ডলৰ প্ৰায় ১০০ গৰাকী অভিযন্তাই অংশগ্ৰহণ কৰে।

০০০০০

আজি সাংস্কৃতিক বৈচিত্ৰ্য দিৱস বিশ্বজুৰি উদযাপন কৰা হৈছে। আলোচনা আৰু বিকাশৰ লক্ষ্যৰে উদযাপন কৰা এই দিৱসে বিশ্বৰ বিভিন্ন প্ৰান্তত সাংস্কৃতিক বৈভৱক প্ৰতিফলিত কৰাই নহয় ইয়াৰ দ্বাৰা শান্তি আৰু বহনক্ষমৰ উন্নয়নৰ ক্ষেত্ৰত আন্তঃসাংস্কৃতিক বিনিময়ৰ গুৰুত্ব সন্দৰ্ভতো সজাগতা সৃষ্টি কৰা হয়। বিশ্বৰ সাম্প্ৰতিক ৯০ শতাংশ সংঘাতেই আন্তঃসাংস্কৃতিক বিনিময় বা আলোচনাৰ অভাৱৰ বাবে সৃষ্টি হোৱা বুলি কোৱা হয়। এই ক্ষেত্ৰত শান্তি প্ৰতিষ্ঠা আৰু ফলপ্ৰসূ সহযোগিতাৰ বাবে আন্তঃসাংস্কৃতিক আলোচনাক শক্তিশালী কৰি তোলাত প্ৰাথমিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন হৈছে। ইউনেস্কোৰ মতে সংস্কৃতি আৰু সৃষ্টিশীল খণ্ড হৈছে বিশ্বজোৰা বিকাশৰ আটাইতকৈ শক্তিশালী উপাদান। এই ক্ষেত্ৰত সমগ্ৰ বিশ্বত ৪৮ মিলিয়নৰো অধিক নিযুক্তি সম্ভৱ হৈ উঠিছে আৰু ইয়াৰে আধাতকৈ বেছি পদত মহিলা অধিষ্ঠিত হৈ আছে। আনহাতে সাংস্কৃতিক ক্ষেত্ৰখনত ৩০ বছৰৰ তলৰ বৃহৎ সংখ্যক যুৱক-যুৱতী নিয়োজিত হৈ আছে। অৱশ্যে ৰাজহুৱা নীতি আৰু আন্তৰ্জাতিক সহযোগিতাৰ ক্ষেত্ৰখনত এই সাংস্কৃতিক আৰু সৃষ্টিশীল খণ্ডই প্ৰয়োজনীয় গুৰুত্ব পোৱাৰ পৰা

বঞ্চিত হৈ আছে। সেয়ে ২০০১ চনৰ  পৰা ইউনেস্কোই এই দিৱস পালনৰ ব্যৱস্থা কৰে আৰু তাৰ পৰৱৰ্তী বছৰত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ২১ মে'ক বিশ্ব সাংস্কৃতিক বৈচিত্ৰ্য দিৱস হিচাপে স্বীকৃতি দিয়ে। এই দিৱস পালনে আমাৰ সাংস্কৃতিক বৈচিত্ৰ্যই দিয়া মূল্যবোধক উপলব্ধি কৰাত সহায় কৰে। ২০২২ চনৰ ছেপ্তেম্বৰ মাহত ১৫০ খন দেশৰ প্ৰতিনিধিয়ে মেক্সিকোত MONDIACULT 2022 শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত মিলিত হৈছিল। ৪ দশক ধৰি চলি থকা বিশ্বৰ এই সৰ্ববৃহৎ সাংস্কৃতিক সন্মিলনত সাংস্কৃতিক বিষয়টোক গোলকীয়ভাৱে প্ৰভাৱান্বিত কৰিব পৰা ইতিবাচক বিষয় হিচাপে গ্ৰহণ কৰাৰ লগতে ২০৩০ চনৰ ভিতৰত সমগ্ৰ বিশ্বত শান্তি আৰু উন্নয়নৰ সংহত লক্ষ্যত উপনীত হোৱাৰ বাবে সংকল্প গ্ৰহণ কৰা হৈছিল।

০০০০০

তামুলপুৰ জিলাৰ কলবস্তি গাঁৱত হাতী আৰু মানুহৰ সংঘাত দূৰ কৰিবলৈ বন বিভাগে পৰীক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। বিভাগে প্ৰকৃতি প্ৰেমী সংস্থা **আৰণ্যক**ৰ সহযোগত গাঁওখনত প্ৰথমবাৰৰ বাবে নেুম ফেন্সিং দিয়াৰ ব্যৱস্থা কৰিছে। তামুলপুৰ উত্তৰাঞ্চলৰ কেইবা ঠাইতো এনে ফেন্সিং দিয়াৰ পৰিকল্পনা কৰা হৈছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত কাইলৈৰ পৰা কনকলতা বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজ্যৰ কেইবাটাও দলে অংশ ল'বলগীয়া এই প্ৰতিযোগিতাত দলসমূহক ৭টা ক্লাষ্টাৰত ভাগ কৰি বিভিন্ন স্থানত খেলসমূহ খেলোৱা হ'ব। গ্ৰুপ-এৰ খেলসমূহৰ বাহিৰে বাকী খেলসমূহ কাইলৈ আৰম্ভ হ'ব। কৰিমগঞ্জ, হোজাই, শিলচৰ আৰু হাইলাকান্দি জিলাৰ অংশগ্ৰহণেৰে কৰিমগঞ্জত হ'বলগীয়া গ্ৰুপ-এৰ খেল ২৪ মে'ত আৰম্ভ হ'ব। আনহাতে গ্ৰুপ-বিৰ খেল গোলাঘাট, ডিব্ৰুগড়, চৰাইদেও, শিৱসাগৰ আৰু নাহৰকটীয়াৰ অংশগ্ৰহণেৰে গোলাঘাটত খেলোৱা হ'ব। বৰপেটাত হ'বলগীয়া গ্ৰুপ-চিৰ খেলত নলবাৰী, বৰপেটা, তেজপুৰ, নগাঁও আৰু বঙাইগাঁৱত হ'বলগীয়া গ্ৰুপ-ডিৰ খেলত বঙাইগাঁও, গোৱালপাৰা, ধুবুৰী আৰু বিশ্বনাথ জিলাই অংশগ্ৰহণ কৰিব। একেদৰে মঙলদৈত লখিমপুৰ, তিনিচুকীয়া আৰু ধেমাজিৰ গ্ৰুপ-ইৰ খেল, গুৱাহাটী, ৰঙিয়া, উত্তৰ-পূব সীমান্ত ৰে'লৰে আৰু বিলাসীপাৰাৰ অংশগ্ৰহণেৰে গ্ৰুপ-এফৰ খেল আৰু মৰিগাওঁ, বোকাখাট, কোকৰাঝাৰ আৰু যোৰহাটৰ গ্ৰুপ-জিৰ খেল খেলোৱা হ'ব।

০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কোৱালিফায়াৰ ৱানত কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। আনহাতে, পৰাজিত দলটোৱে শুকুৰবাৰে কোৱালিফায়াৰ টু-ত খেলাৰ যোগ্যতা অৰ্জন কৰিব। একেখন ষ্টেডিয়ামত কাইলৈ ৰাজস্থান ৰয়েলছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত এলিমিনেটৰ খেলখন অনুষ্ঠিত হ'ব। এই খেলখনত বিজয়ী দলটোৱে কোৱালিফায়াৰ-টুত খেলাৰ সুযোগ লাভ কৰিব।

০০০০০

যোৰহাট জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আজি যোৰহাটত শিশু সুৰক্ষা সজাগতাসভা অনুষ্ঠিত হয়। বাল্যবিবাহ, শিশু সুৰক্ষা আৰু শিশু শ্ৰমিক আদি বিভিন্ন বিষয়ৰ ওপৰত জিলা শিশু সুৰক্ষা বিষয়াই সাধাৰণ ভাষাত দৃশ্য শ্ৰাব্য শ্লাইডৰ জৰিয়তে বিষদ আলোচনা আগবঢ়ায়।

০০০০০

গুৱাহাটীত জালনোটৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। পাণবজাৰ আৰক্ষীয়ে আজি গোপন সূত্ৰৰ পম খেদি ৰিজাৰ্ভ বেংকৰ সমীপত বুজন পৰিমাণৰ জালনোটসহ মুকেশ ছাহু নামৰ এটা জালনোটৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে সোধপোছ অব্যাহত ৰাখিছে।

ooooo

উত্তৰাখণ্ডৰ চৰকাৰে চাৰিধাম তীৰ্থ যাত্ৰীসকলৰ সুবিধাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। যাত্ৰীসকলৰ ভ্ৰমণ সহজ কৰি তোলাৰ বাবে চৰকাৰে প্ৰতিদিনে প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা অব্যাহত ৰাখিছে। যোৱা ১০ মে'ত কেদাৰনাথ ধামৰ দুৱাৰ মুকলি কৰাৰ পাছৰে পৰা এতিয়ালৈকে ১১ দিনত তিনি লাখ ১৯ হাজাৰতকৈ অধিক ভক্তই কেদাৰনাথ ধাম দৰ্শন কৰি অভিলেখ গঢ়িছে। কেদাৰনাথ যাত্ৰাৰ সময়ত ফাটা, সোণপ্ৰয়াগ, গৌৰীকুণ্ড আদি অঞ্চলত ভক্তৰ অতিমাত্ৰা ভিৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে নিৰাপত্তা সুনিশ্চিত কৰিবৰ বাবে তীৰ্থযাত্ৰীসকলক আগষ্ট্যামুনি আৰু অন্যান্য স্থানত ৰখাৰ ব্যৱস্থা কৰিছে।

ooooo

সমাপ্ত